# বাদ মূল্যাঙ্কণ অধিনিয়ম, ১৮৮৭

## [1]১৮৮৭ ৰ অধিনিয়ম সংখ্যা ৭

**কিছুমান বাদৰ সম্পৰ্কত ন্যায়ালয়ৰ অধিকাৰিতা নিৰ্দ্ধাৰণ কৰাৰ প্ৰয়োজনাৰ্থে তাৰ মূল্যাঙ্কণৰ ৰীতি বিহিত কৰিবলৈ এখন অধিনিয়ম ।**

**[১১ ফেব্ৰুৱাৰী, ১৮৮৭]**

যিহেতু কিছুমান বাদৰ সম্পৰ্কত ন্যায়ালয়ৰ অধিকাৰিতা নিৰ্দ্ধাৰণ কৰাৰ প্ৰয়োজনাৰ্থে কিছুমান বাদৰ মূল্যাঙ্কণ ৰীতি বিহিত কৰাটো সমীচিন হব ; সেয়ে ইয়াৰ দ্বাৰা ইয়াক নিম্নলিখিত ৰূপে অধিনিয়মিত কৰা হ'ল ঃ-

নাম ।

১ । এই অধিনিয়মখন বাদ মূল্যাঙ্কণ অধিনিয়ম, ১৮৮৭ বুলি অভিহিত হব [2][আৰু ই ১ নবেম্বৰ ১৯৫৬ৰ অব্যৱহিত পূৰ্বে ভাগ 'খ' ৰাজ্য সমূহত গঠিত ৰাজ্যক্ষেত্ৰসমূহৰ ব্যতিৰেকে, সমগ্ৰ ভাৰতবৰ্ষতে বিস্তাৰিত হব ।]

## ভাগ ১

### ভূমি সম্পৰ্কত বাদ

**ভাগ ১ ৰ বিস্তাৰ আৰু প্ৰাৰম্ভণ ।**

২ । [3][ৰাজ্য চৰকাৰে ] চৰকাৰী ৰাজপত্ৰত অধিসূচনাৰ দ্বাৰা যিদৰে নিৰ্দেশ [4] দিয়ে সেইদৰে এনে স্থানীয় এলেকাত আৰু এনে তাৰিখত সেই ভাগটো বিস্তাৰিত আৰু বলবৎ হব ।

**অধিকাৰিতাৰ প্ৰয়োজনাৰ্থে ভূমিৰ মূল্য নিৰ্দ্ধাৰণ কৰা নিয়মাৱলী প্ৰণয়ন কৰিবলৈ ৰাজ্য চৰকাৰৰ ক্ষমতা । ১৮৭০ৰ ৭ ।**

৩ । (১) ৰাজ্য চৰকাৰে [5] X X X ন্যায়ালয় মাছুল অধিনিয়ম, ১৮৭০ৰ ধাৰা ৭, পৰিচ্ছেদ V আৰু VI আৰু পৰিচ্ছেদ Xৰ খণ্ড (ঘ) ত উল্লিখিত বাদ সমূহৰ অধিকাৰিতাৰ প্ৰয়োজনাৰ্থে ভূমিৰ মূল্য নিৰ্দ্ধাৰণৰ বাবে নিয়মাৱলী প্ৰণয়ন কৰিব পাৰে ।

(২) নিয়মাৱলীয়ে কোনো সমগ্ৰ স্থানীয় এলেকাৰ বা কোনো ভাগত ভূমিৰ কোনো শ্ৰেণী বা ভূমিত কোনো অংশৰ মূল্য নিৰ্দ্ধাৰণ কৰিব পাৰে, আৰু একেটা স্থানীয় এলেকাৰ ভিতৰৰ ভিন্ ভিন্ স্থানৰ বাবে ভিন্ ভিন্ মূল্য নিৰ্দ্ধাৰণ কৰিব পাৰে ।

---

১ । এই অধিনিয়ম ১৯৩৮ৰ পঞ্জাৱ অধিনিয়ম ১ আৰু ১৯৪২ৰ ১৩ৰ দ্বাৰা পঞ্জাৱত আৰু ১৯৩৯ৰ উত্তৰ প্ৰদেশ অধিনিয়ম ৭ৰ দ্বাৰা উত্তৰ প্ৰদেশ সংশোধন কৰা হৈছে ।

২ । ১৯৫৬ৰ বিধিৰ অনুকূলন (নং ২) আদেশৰ দ্বাৰা সংযোগ কৰা হৈছে ।

৩ । ভাগ "ক ৰাজ্য বা ভাগ গ ৰাজ্যৰ চৰকাৰৰ" বাবে একে আদেশৰ দ্বাৰা প্ৰতিষ্ঠাপিত ।

৪ । অধিনিয়মৰ ভাগ I, ধাৰা ২ৰ অধীনত পঞ্জাৱলৈ বিস্তাৰিত হৈছে বুলি ঘোষণা কৰা হৈছে আৰু ১৮৮৯ মাৰ্চৰ প্ৰথম দিনা তাত বলবৎ হব ভাৰতৰ ৰাজপত্ৰিকা ১৮৮৯, ভাগ I, পৃষ্ঠা ১০৭ দ্ৰষ্টব্য ।

৫ । "সপৰিষদ মহা ৰাজ্যপালৰ নিয়ন্ত্ৰণ সাপেক্ষে" শব্দাৱলী অনুকূলন আদেশ ১৯৩৭ৰ দ্বাৰা নিৰসিত কৰা হৈছে ।

১৯৬৮ৰ অধিনিয়ম ২৬ৰ ধাৰা ৩ অনুসূচী ৰ দ্বাৰা পণ্ডিচেৰীলৈ বিস্তাৰিত কৰা হৈছে ।

**ভূমিৰ সম্পৰ্কত কিছুমান বাদত সাহায্যৰ মূল্যাঙ্কন ভূমিৰ মূল্য অতিক্ৰম নকৰিব ।**

৪ । যেতিয়া ন্যায়ালয় মাচুল অধিনিয়ম, ১৮৭০, ধাৰা ৭, পৰিচ্ছেদ । V বা অনুসূচী ।। আৰু অনুচ্ছেদ ১৭ত উল্লিখিত কোনো বাদ ভূমিৰ বা ভূমিৰ কোনো অংশৰ সম্বন্ধীয় হয়, যাৰ মূল্য, অন্তিম পূৰ্বগামী ধাৰাৰ অধীনত নিয়মাৱলীৰ দ্বাৰা নিৰ্দ্ধাৰণ কৰা হৈছে, অধিকাৰিতাৰ প্ৰয়োজনাৰ্থে বাদত বিচৰা মূল্যাঙ্কিত সাহায্যৰ পৰিমান সেই নিয়মাৱলীৰ দ্বাৰা নিৰ্দ্ধাৰণ কৰা ভূমিৰ মূল্য বা তাৰ অংশৰ মূল্য অতিক্ৰম নকৰিব ।

**নিয়মাৱলীৰ প্ৰণয়ন আৰু বলবৎ কৰণ।**

৫ । (১) ৰাজ্য চৰকাৰে, ধাৰা ৩ৰ অধীনত নিয়মাৱলী প্ৰণয়ন কৰাৰ পূৰ্বে, তাৰ সম্পৰ্কত উচ্চ ন্যায়ালয়ৰ সৈতে পৰামৰ্শ কৰিব ।

(২) সেই ধাৰাৰ অধীনৰ কোনো নিয়ম চৰকাৰী ৰাজপত্ৰত নিয়মটো প্ৰকাশ হোৱাৰ পাচত, এমাহ অন্ত নপৰা পৰ্য্যন্ত প্ৰভাৱিত নহয় ।

**মাদ্ৰাজ চিভিল ন্যায়ালয় অধিনিয়ম ১৮৭৩ৰ ধাৰা ১৪ৰ নিৰসন। ১৮৭৩ৰ ৩**

৬ । যিটো মাদ্ৰাজ চিভিল ন্যায়ালয় অধিনিয়ম, ১৮৭৩ ত বিস্তাৰিত হোৱা গৰ্ভনৰ অব ফোৰ্ট চেইণ্ট জৰ্জ ইন কাউন্সিলৰ প্ৰশাসনাধীন ৰাজ্যক্ষেত্ৰৰ যি কোনো অংশত সেই ভাগৰ সম্পৰ্কত যি তাৰিখত আৰু যি তাৰিখৰ পৰা ধাৰা '৩'ৰ অধীনৰ নিয়মাৱলী বলবৎ হয়, সেই অধিনিয়মৰ ধাৰা ১৪ সেই ৰাজ্যক্ষেত্ৰসমূহৰ সেই অংশৰ সম্বন্ধত নিৰসিত হব ।

## ভাগ ।।

### অন্যান্য বাদ

**ভাগ ২ৰ বিস্তাৰ আৰু প্ৰাৰম্ভন।**

৭ । এই ভাগটো [1]XXX ১৮৮৭ চনৰ জুলাই মাহৰ প্ৰথম দিনত বলবৎ হব ।

**কিছুমান বাদত ন্যায়ালয় মাচুল মূল্য আৰু অধিকাৰিতাৰ মূল্য সদৃশ হব। ১৮৭০ৰ ৭**

৮ । যেতিয়া ন্যায়ালয় মাচুল অধিনিয়ম, ১৮৭০, ধাৰা ৭, ৰ পৰিচ্ছেদ V, VI আৰু IX পৰিচ্ছেদ X ৰ খণ্ড (ঘ)ত উল্লেখিত বোৰৰ ব্যতিৰেকে আন বাদ সমূহত ন্যায়ালয় মাচুল অধিনিয়ম, ১৮৭০ৰ অধীনত মূল্যানুসাৰে ন্যায়ালয়ৰ মাচুল আদায় দিবলগীয়া হয় সেই ক্ষেত্ৰত ন্যায়ালয় মাচুলৰ সংগণনাৰ বাবে নিৰ্দ্ধাৰণযোগ্য হোৱা মূল্য আৰু অধিকাৰিতাৰ প্ৰয়োজনাৰ্থে মূল্য সদৃশ হব ।

**উচ্চ ন্যায়ালয়ৰ দ্বাৰা কিছুমান বাদৰ মূল্য নিৰ্দ্ধাৰণ। ১৮৭০ৰ ৭**

৯ । [2] য'ত ন্যায়ালয় মাচুলঅধিনিয়ম, ১৮৭০ৰ ধাৰা '৭'ৰ পৰিচ্ছেদ V, আৰু VI আৰু পৰিচ্ছেদ X খণ্ড 'ঘ'ত উল্লিখিত বাদসমূহৰ ব্যতিৰেকে যিকোনো শ্ৰেণীৰ বাদসমূহৰ বিষয়বস্তু এনে হয় যে উচ্চ ন্যায়ালয়ৰ অভিমত অনুসৰি ই সন্তোষজনকভাৱে মূল্যাঙ্কিত হোৱা বুলি গ্ৰহনযোগ্য নহয়, উচ্চ ন্যায়ালয়ে ৰাজ্য চৰকাৰৰ পূৰ্ব অনুমোদন সহ নিৰ্দেশ দিব পাৰে যে সেই শ্ৰেণীৰ বাদ সমূহ ন্যায়ালয় মাচুল অধিনিয়ম, ১৮৭০ৰ আৰু এই অধিনিয়ম আৰু তৎসময় বলবৎ থকা অন্য যিকোনো অধিনিয়মিতিৰ প্ৰয়োজনাৰ্থে এনে বুলি গণ্য কৰা হব যেনিবা ইয়াৰ বিষয় বস্তু এনে মূল্যৰ আছিল যিদৰে উচ্চ ন্যায়ালয়ে এই মৰ্মে বিনিৰ্দ্দিষ্ট কৰিবলৈ উচিত বুলি ভাবে।

১০ । [পঞ্জাব ন্যায়ালয় অধিনিয়ম, ১৮৮৪ (১৮৮৪ ৰ ১৮) ৰ ধাৰা ৩২ ৰ নিৰসন ] নিৰসন বা সংশোধন অধিনিয়ম ১৮৯১ (১৮৯১ ৰ ১২) ৰ ধাৰা ২ আৰু অনুসূচী ১ৰ দ্বাৰা নিৰসিত কৰা হৈছে।

---

১ । ''ভাগ খ ৰাজ্যসমূহ ব্যতিৰেকে সমগ্ৰ ভাৰতবৰ্ষতে বিস্তাৰিত'' শব্দ সমূহ বিধিৰ অনুকূলন আদেশ (নং ২), ১৯৫৬ৰ দ্বাৰা লোপ কৰা হৈছে।

২ । এই ধাৰাৰ অধীনত কিছুমান শ্ৰেণীৰ বাদৰ মূল্যাঙ্কনৰ বিষয়ে নিয়ম সমূহৰ বাবে ভিন ভিন স্থানীয় নিয়ম আৰু আদেশ চাওঁক। [১-৭--৫৭]

## (ভাগ ।।। - অনুপূৰক উপবন্ধসমূহ)
## ভাগ ।।।
## অনুপূৰক উপবন্ধসমূহ

১৮৮২ ৰ ১৪
যেতিয়া আপীল বা পুনৰীক্ষণত আপত্তি কৰা হয়, যে এটা বাদ বা আপীল অধিকাৰিতাৰ প্ৰয়োজনাৰ্থে যথাযথ ভাৱে মূল্যাঙ্কন কৰা হোৱা নাই সেই ক্ষেত্ৰত প্ৰক্ৰিয়া।

১১। (১) চিভিল প্ৰক্ৰিয়া সংহিতাৰ [1] ধাৰা ৫৭৮ ত কোনো কথা থকা স্বত্বেও কোনো বাদৰ বা আপীলৰ অধিক মূল্যাঙ্কন বা নিম্নৰ মূল্যাঙ্কনৰ কাৰণত কোনো আপত্তি প্ৰথম দৃষ্টান্তৰ কোনো ন্যায়ালয়ৰ বা নিম্নতম আপীল ন্যায়ালয় যাৰ সেইবাদ বা আপীলৰ সম্পৰ্কত অধিকাৰিতা নাই সেইবোৰৰ সেই বাদ বা আপীলৰ সম্পৰ্কত অধিকাৰিতা প্ৰয়োগ কৰে তেনে ক্ষেত্ৰত আপীল ন্যায়ালয়ৰ দ্বাৰা তাক গ্ৰহণ কৰা নহয় যদিহে-

(ক) শুনানীত বা তাৰ আগতেই প্ৰথম দৃষ্টান্তৰ ন্যায়ালয়ত যিটোত বিচাৰ্য্য বিষয় সমূহ প্ৰথমে ৰচনা কৰা বা অভিলেখিত কৰা হৈছিল বা নিম্নতৰ আপীল ন্যায়ালয়ত কৰা নহয় যি ন্যায়ালয়ত আপীল জ্ঞাপন কৰা হয় তাত আপত্তি কৰা হৈছিল, বা

(খ) আপীল ন্যায়ালয়ে ইয়াৰ দ্বাৰা লিখিত ভাৱে অভিলিখিত কৰা কাৰণসমূহৰ বাবে সন্তুষ্ট হয় যে বাদ বা আপীলটো অধিক মূল্যাঙ্কন বা নিম্ন মূল্যাংকন কৰা হৈছে আৰু ইয়াৰ অধিক মূল্যাঙ্কন বা নিম্ন মূল্যাঙ্কনে বাদৰ বা আপীলত ইয়াৰ গুনাগণত নিষ্পত্তি কৰাত প্ৰতিকূলে প্ৰভাৱান্বিত কৰিছে।

(২) যদি আপত্তিটো উপধাৰা (১) ৰ খণ্ড (খ)ত উল্লিখিত ৰীতিত লোৱা হয়, কিন্তু আপীল ন্যায়ালয় সেই উপধাৰাৰ খণ্ড (খ) ত উল্লিখিত উভয় বিষয়ৰ সম্পৰ্কত সন্তুষ্ট নহয় আৰু ই নিজে আপীলৰ অন্য কাৰণসমূহ নিৰ্দ্ধাৰণৰ বাবে আৱশ্যকীয় তথ্য পাতি ইয়াৰ সন্মুখত আছে, তেন্তে ই আপীলটো নিষ্পত্তি কৰিব, যেনিবা প্ৰথম দৃষ্টান্তৰ ন্যায়ালয়ত বা নিম্ন আপীল ন্যায়ালয়ত অধিকাৰিতাৰ কোনো ত্ৰুটি নাছিল।

(৩) যদি আপত্তিটো সেই ৰীতিত লোৱা হয় আৰু আপীল ন্যায়ালয় সেই উভয় বিষয়ৰে সন্তুষ্ট হৈছে আৰু সেই তথ্যপাতি ইয়াৰ সন্মুখত নাই তেতিয়া এই নিয়মাৱলীৰ অধীনত আপীলৰ শুনানীৰ সম্পৰ্কত ন্যায়ালয়ত প্ৰযোজ্য হোৱাৰ দৰে ব্যৱস্থা গ্ৰহনত অগ্ৰসৰ হব, কিন্তু যদি বিচাৰৰ বাবে বাদ বা আপীল প্ৰতি প্ৰেৰণ কৰে বা বিবাদ্যক বিবেচনা বা সমৰ্পন কৰে বা অতিৰিক্ত সাক্ষ্যগ্ৰহন কৰিবলৈ অপেক্ষিত হয় তেতিয়া ই বাদ বা আপীল গ্ৰহন কৰিবলৈ ক্ষমতাসম্পন্ন কোনো ন্যায়ালয়লৈ ইয়াৰ আদেশটো নিৰ্দেশিত কৰিব।

১৮৮২ৰ ১৪

(৪) কোনো আপীল ন্যায়ালয়ৰ সম্পৰ্কত এহ ধাৰাৰ উপবন্ধসমূহ যিমান দূৰ সম্ভৱ চিভিল প্ৰক্ৰিয়া সংহিতাৰ [2] ধাৰা ৬২২ ৰ বা তৎসময় বলবৎ থকা অন্য অধিনিয়মিতিৰ অধীনত পুনৰীক্ষণ অধিকাৰিতা প্ৰয়োগ কৰিবৰ পৰা কোনো ন্যায়ালয়ত প্ৰয়োগ কৰিব।

(৫) [3] XXX ১৮৮৭ৰ জুলাই মাহৰ প্ৰথম দিনৰ পৰা বলবৎ হব।

### ভাগ ।। - চিভিল প্ৰক্ৰিয়া
### (ভাগ ।।। - অনুপূৰক উপবন্ধসমূহ)

ভাগ। বা ভাগ।। ৰ প্ৰাৰম্ভণীত কাৰ্য্যবাহ সমূহৰ স্থগিত কৰণ।

১২। ভাগ I বা ভাগ II ৰ কোনো কথাই নিম্নোক্তসমূহৰ সম্পৰ্কত কোনো ন্যায়ালয়ৰ অধিকাৰিতাত প্ৰভাবান্বিত কৰা বুলি অৰ্থ কৰা নহব -

(ক) কোনো বাদৰ মূল্যাঙ্কনত প্ৰয়োগযোগ্য হোৱা ভাগ ১ ৰ অধীনত নিয়মাৱলী কাৰ্য্যকৰী হোৱাৰ পূৰ্বে বা যথাস্থিতি ভাগ II বলবৎ হোৱাৰ পূৰ্বে কজু কৰা কোনো বাদৰ সম্পৰ্কত, বা

(খ) এনে কোনো বাদৰ পৰা উদ্ভৱ হোৱা কোনো আপীলৰ সম্পৰ্কত।

---

১। চিভিল প্ৰক্ৰিয়া সংহিতা ১৯০৮ ৰ (১৯০৮ৰ অধিনিয়ম ৫) ধাৰা ৯৯ এতিয়া চাওঁক।
২। চিভিল প্ৰক্ৰিয়া সংহিতা ১৯০৮ ৰ (১৯০৮ৰ অধিনিয়ম ৫ ৰ) ধাৰা ১১৫ এতিয়া চাওঁক।
৩। ''ভাগ খ ৰাজ্যসমূহ আৰু'' ৰ ব্যতিৰেকে সমগ্ৰ ভাৰতবৰ্ষতে বিস্তাৰিত হব'' শব্দসমূহ বিধিৰ অনুকূলন আদেশ (নং ২) ১৯৫৬ ৰ দ্বাৰা লোপ কৰা হৈছে।

------০------